**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-MAY-2026 **Time :** 1845 HRS

***Assamese Evening Bulletin***

———————————————————

# HEADLINES

১। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ নতুনকৈ শপত গ্ৰহণ কৰা ৰাজ্যৰ চাৰিগৰাকী মন্ত্ৰীক দপ্তৰ বিতৰণ।

২। দেশত খনিজ তেল, ৰন্ধন গেছ আৰু প্ৰাকৃতিক গেছ পৰ্যাপ্ত পৰিমাণে মজুত থকাটো সুনিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ব্যৱস্থা গ্ৰহণ।

৩। ৩০ মে'ৰ পূৰ্বে নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত খালী হৈ থকা শিক্ষক পদৰ তথ্য দাখিল কৰিবলৈ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশ।

৪। উত্তৰ-পূৰ্বাঞ্চলৰ ৫ খন ৰাজ্যকে ধৰি দেশৰ ১৬ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয়শাসিত অঞ্চলত পৰ্যায়ক্ৰমে বিশেষ পুংখানুপুংখ পুনৰীক্ষণ আৰম্ভ হ'ব বুলি নিৰ্বাচন আয়োগৰ প্ৰকাশ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি নতুনকৈ শপত গ্ৰহণ কৰা ৰাজ্যৰ চাৰিগৰাকী মন্ত্ৰীক দপ্তৰ বিতৰণ কৰে। সেই অনুসৰি, ৰামেশ্বৰ তেলীক ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম কল্যাণ তথা চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ দায়িত্ব অৰ্পণ কৰা হয়। অতুল বৰাক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ, সীমা সুৰক্ষা আৰু উন্নয়ন তথা আৱকাৰী বিভাগৰ দায়িত্ব দিয়া হৈছে। একেদৰে মন্ত্ৰী চৰণ বড়োক পৰিবহণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ দায়িত্ব দিয়াৰ লগতে অজন্তা নেওগক পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ দায়িত্ব প্ৰদান কৰা হয়।

০০০০০০০

দেশত খনিজ তেল, ৰন্ধন গেছ আৰু প্ৰাকৃতিক গেছ পৰ্যাপ্ত পৰিমাণে মজুত থকাটো সুনিশ্চিত কৰাৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত অনুষ্ঠিত এখন আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ সংবাদমেলত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই এই কথা প্ৰকাশ কৰে।

ইপিনে দেশত ৬৯ দিনৰ বাবে অপৰিশোধিত তেল আৰু ৪৫ দিনৰ বাবে ৰন্ধন গেছ মজুত আছে বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। ইন্ধন সৰবৰাহত এই পৰ্যন্ত কোনো সমস্যা হোৱা

নাই বুলি উল্লেখ কৰি জনসাধাৰণক আতংকিত নহ'বলৈ তেওঁ আহ্বান জনাইছে। পশ্চিম এছিয়াৰ সংঘাতৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি ইন্ধনৰ নাটনিক লৈ সৃষ্টি হোৱা আশংকাৰ মাজতে শ্ৰীপুৰীয়ে কালি এই আহ্বান জনায়। তেওঁ কয় যে দেশত ৰন্ধন গেছৰ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইন্ধন আৰু অন্যান্য সামগ্ৰীৰ ব্যৱহাৰত সংযম ৰক্ষা কৰিবলৈ জনোৱা আহ্বানক সতৰ্কতবাণী হিচাপে গ্ৰহণ কৰিবলৈ তেওঁ জনসাধাৰণক পৰামৰ্শ দিয়ে।

সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী মোদীয়ে জনোৱা ৭টা আহ্বানৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি কৃষি আৰু গ্ৰামোন্নয়ন বিভাগৰ লগতে অন্যান্য সংশ্লিষ্ট মন্ত্ৰালয় আৰু বিভাগসমূহৰ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকৰ পাছত এখন সংবাদমেলত শ্ৰীচৌহানে কয়, যে মন্ত্ৰী পৰ্যায়ত অনাগত এবছৰৰ বাবে তেওঁলোকে সোণ ক্ৰয় নকৰাৰ সিদ্ধান্ত লোৱাৰ লগতে বিদেশ ভ্ৰমণৰ পৰা বিৰত থকাৰো সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মিত্যব্যয়ীভাৱে খোৱা তেল আৰু যথা সম্ভৱ ৰাজহুৱা পৰিবহণ ব্যৱহাত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কৃষকসকলৰ মাজত সাৰৰ সন্তুলিত ব্যৱহাৰৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে কৃষি মন্ত্ৰালয়ে সমগ্ৰ দেশতে গাঁও পৰ্যায়ত অভিযান আৰম্ভ কৰিছে বুলি জানিবলৈ দিয়ে।

০০০০০০০

বিগত ১০ দিন ধৰি চলি থকা অনিশ্চয়তা আৰু উত্তেজনাৰ অৱসান ঘটাই কংগ্ৰেছে আজি ভি ডি সাথীচানক কেৰলমৰ নতুন মুখ্যমন্ত্ৰী হিচাপে ঘোষণা কৰে। নতুন দিল্লীত আজি এখন সংবাদমেলত কংগ্ৰেছ নেতা অজয় মাকেন, মুকুল ৱাছনিক আৰু দীপিকা দছমুনছিয়ে এই কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰীৰ নাম ঘোষণাৰ পাছতেই কংগ্ৰেছ নেতৃত্বাধীন ইউ ডি এফে ৰাজ্যখনত চৰকাৰ গঠনৰ বাবে আগবাঢ়িছে। উল্লেখযোগ্য যে, কেৰলমৰ বিধানসভা নিৰ্বাচনত এইবাৰ ইউ ডি এফে দুই-তৃতীয়াংশৰো অধিক সংখ্যাগৰিষ্ঠতাৰে জয়লাভ কৰিছিল যদিও বিভিন্ন শিবিৰৰ লবী তথা তৃণমূল পৰ্য্যায়ত কৰ্মীসকলৰ প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ নাম ঘোষণাৰ সিদ্ধান্ত ল'বলৈ অসমৰ্থ হৈছিল।

০০০০০০০

ৰাজ্য চৰকাৰে অহা ২৬ মে'ত বিধানসভাত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। অহা ২১ মে'ৰ পৰা হ'বলগীয়া বিধানসভা অধিবেশনৰ অন্তিম দিনা অৰ্থাৎ ২৬ মে'ত উমৈহতীয়া দেৱানী বিধি উত্থাপন কৰা হ'ব। মন্ত্ৰীসভাই কালি উমৈহতীয়া দেৱানী বিধিৰ খচৰাত অনুমোদন জনায়। এই খচৰা অনুসৰি পাৰ্বত্য আৰু ভৈয়াম জনজাতিৰ লোকসকলক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ পৰা বাহিৰত ৰখা হ'ব। প্ৰস্তাৱিত বিধেয়কখনে বিবাহৰ আইনী বয়স নিৰ্ধাৰণ, বহুবিবাহত নিষেধাজ্ঞা, সম্পত্তিৰ অধিকাৰ আৰু লিভ ইন ৰিলেচনকে ধৰি কেইবাটাও বিষয় সামৰি ল'ব। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বিধানসভাত উমৈহতীয়া দেৱানী বিধি উত্থাপনৰ বিষয়টোক আদৰণি জনাইছে।

**বাইট (দিলীপ শইকীয়া)**

০০০০০০০

ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে পুনৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে তৎপৰতা চলাইছে। সেই অনুসৰি প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে সকলো জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰি নিম্ন আৰু উচ্চ প্ৰাথমিকৰ খালী হৈ থকা শিক্ষক পদৰ তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিছে। অহা ৩০ মে বা তাৰ পূৰ্বে খালী শিক্ষক পদৰ তথ্যসমূহ নিৰ্দিষ্ট প'ৰ্টেলত দাখিল কৰিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে, প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ২০২৫ চনত ৫হাজাৰ ৫৫০ টা আৰু ২০২৬ চনত ৪হাজাৰ ৫০০ টা প্ৰাথমিক শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছিল। প্ৰাথমিক শিক্ষা সঞ্চালকালক সুৰঞ্জনা সেনাপতিয়ে ৰাজ্যৰ সকলো জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ এই উদ্দেশ্যে পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০০০

নিৰ্বাচন আয়োগে দেশৰ ১৬ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয়শাসিত অঞ্চলত পৰ্যায়ক্ৰমে বিশেষ পুংখানুপুংখ পুনৰীক্ষণ অৰ্থাৎ এছ আই আৰৰ তৃতীয় পৰ্যায় আৰম্ভ কৰিব বুলি ঘোষণা কৰিছে। এই পৰ্যায়ত অন্তৰ্ভুক্ত হোৱা ৰাজ্যসমূহ হৈছে— অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ওড়িশা, ঝাৰখণ্ড, হাৰিয়ানা, পঞ্জাব, উত্তৰাখণ্ড, তেলেংগানা আৰু কৰ্ণাটক। একেদৰে কেন্দ্ৰীয়শাসিত অঞ্চল দিল্লী, চণ্ডীগড়, দাদৰা আৰু নগৰ হাৱেলী আৰু দমন আৰু ডিউত এছ আই আৰৰ তৃতীয় পৰ্যায় আৰম্ভ হ'ব। সমগ্ৰ দেশতে ভোটদাতাৰ সঠিক আৰু শেহতীয়া তথ্য সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ভোটাৰ তালিকাৰ পুনৰীক্ষণ প্ৰক্ৰিয়া হৈছে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

০০০০০০০

অসামৰিক প্ৰতিৰক্ষা বিভাগৰ দ্বাৰা পৰহিলৈ ডিব্ৰুগড়ত হ'বলগীয়া বিমান আক্ৰমণ, ব্লেকআউটৰ অনুশীলন সন্দৰ্ভত ব্যাপক প্ৰস্তুতি চলি আছে। মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। জিলাখনৰ জৰুৰীকালীন ব্যৱস্থাৱলীৰ সামৰ্থ বৃদ্ধিৰ লক্ষ্যৰে আয়োজিত এই সভাত অসামৰিক প্ৰতিৰক্ষা, গৃহৰক্ষী বাহিনী, পৰিবহন, স্বাস্থ্য, জনসংযোগ, এ পি ডি চি এল, ডি ডি এম এ, অগ্নিনিৰ্বাপক আৰু অন্যান্য সংশ্লিষ্ট বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰি কাৰ্যসূচী সফল কৰাৰ কৌশল নিৰ্ধাৰণ কৰে। প্ৰশাসনৰ ফালৰপৰা অনুশীলনৰ সময়ত জনসাধাৰণক আতংকিত নহ'বলৈ আৰু সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱা হৈছে।

গোৱালপাৰা চহৰৰ ভালুকডুবীৰ নতুন আৱৰ্তন ভৱন প্ৰাংগণত আজি সম্ভাব্য বিমান আক্ৰমণৰ সময়ত ল'বলগীয়া সাৱধানতা বিষয়ক আখৰা চলোৱা হয়। গৃহ পৰিক্ৰমা মন্ত্ৰালয়, ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগ তথা অসামৰিক প্ৰতিৰক্ষা সঞ্চালকালয়ৰ নিৰ্দেশনা অনুসৰি সম্ভাব্য বিমান আক্ৰমণৰ সময়ত ল'বলগীয়া সাৱধানতামূলক ব্যৱস্থাৰ বিষয়ে সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই জৰুৰীকালীন অনুশীলনৰ ব্যৱস্থা কৰা হয়।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে কালি অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। বিচাৰপীঠখনে ইয়াৰ

পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নির্দেশ দিয়ে।

0000000

কোকৰাঝাৰ জিলাত পথ দুৰ্ঘটনা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত জিলা পৰিবহণ বিভাগে আজি জিলা প্ৰশাসনৰ সহযোগত ক্ষেত্ৰভিত্তিক অনুসন্ধান কাৰ্যসূচী ৰূপায়ণ কৰে। পৰিবহণ বিভাগে লগতে যান-বাহনৰ চালক তথা জনসাধাৰণ মাজত পথ সুৰক্ষাৰ বিভিন্ন দিশ সন্দৰ্ভত সজাগতা সৃষ্টিৰো প্ৰয়াস চলায়। আজি জিলা আয়ুক্ত ড০ পি উদয় প্ৰবীন, জিলা পৰিবহণ বিষয়া ধবজেন্দ্ৰ বসুমতাৰী আৰু আৰক্ষী আয়ুক্ত অক্ষত গাৰ্গে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাৰিগাঁও, বিছমূৰি, আলাংগি আৰু টিলাপাৰা অঞ্চলৰ দুৰ্ঘটনা প্ৰবণ স্থানসমূহ পৰিদৰ্শন কৰি পথ সুৰক্ষামূলক যাৱতীয় পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে বিগত ৪ মাহত কোকৰাঝাৰ জিলাত পথ দুৰ্ঘটনাত প্ৰায় ৪০ জন লোকৰ মৃত্যু হয়। ইয়াৰে অধিকসংখ্যৰ পথ দুৰ্ঘটনা তীব্ৰ গতিত যান-বাহন চলোৱাৰ বাবে সংঘটিত হয় বুলি জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে। তেওঁ চালকসকলক পথ সুৰক্ষাৰ নীতি-নিয়মসমূহ মানি চলিবলৈ আহ্বান জনায়।

**বাইট (ড০ পি উদয় প্ৰবীন)**

0000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে গুৱাহাটী মহানগৰকে ধৰি ৰাজ্যৰ অন্যান্য জিলাত আজি আৰু অহা দুই-তিনিদিনলৈ বিজুলী-ঢেৰেকনিৰে প্ৰবল বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বৰষুণৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ঠাইত পানী জমা হোৱা আৰু ভূমিস্খলনৰ আশংকা কৰি জিলা কৰ্তৃপক্ষ তথা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে তাৎক্ষণিক সঁহাৰি ব্যৱস্থা সাজু কৰি ৰাখিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গুৱাহাটী মহানগৰীৰ  জনসাধাৰণক যাৱতীয় সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে।

0000000

অসম-মণিপুৰ সীমান্তৰ জিৰিঘাটত আৰক্ষী আৰু মাদক দ্ৰব্য সৰবৰাহকাৰী মাজৰ সংঘৰ্ষত যোৱা নিশা এজন ড্ৰাগছ মাফিয়াৰ মৃত্যু হয়। সংঘৰ্ষত নৱজিৎ তাঁতী আৰু সন্তোষ বিশ্বাস নামৰ দুজন আৰক্ষী জোৱান গুৰুতৰভাৱে আহত হয়। কাছাৰৰ আৰক্ষী অধীক্ষক সঞ্জীৱ শইকীয়াই জনোৱা মতে চাইলেন ডংগল নামৰ ধৃত সৰবৰাহকাৰীজন নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন ইউনাইটেড কুকী লিবাৰেচন আৰ্মীৰ সদস্য আছিল। শিলচৰত আজি এখন সংবাদমেলত আৰক্ষী অধীক্ষকগৰাকীয়ে কয়, যে কিছুদিন পূৰ্বে জিৰিঘাট অঞ্চলত মাদক দ্ৰব্য সৰবৰাহকাৰী চক্ৰৰ গুলীচালনাত এজন আৰক্ষী জোৱান গুৰুতৰভাৱে আহত হৈছিল। ইয়াৰ পাছতে অঞ্চলটোত আৰক্ষীয়ে তালাচী অভিযান তীব্ৰতৰ কৰি তোলে বুলি অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট (আৰক্ষী অধীক্ষক)**

0000000

জনসাধাৰণৰ মাজত পৰিবেশ সচেতনতা, বহনক্ষম উন্নয়ন আৰু জলবায়ুৰ প্ৰতি দায়বদ্ধতাৰ মানসিকতা গঢ়ি তোলা লক্ষ্যৰে মৰিগাঁও মহাবিদ্যালয়ত **জীৱনৰ বাবে জলবায়ু মহোৎসৰ** সন্মিলনৰ আয়োজন কৰা হৈছে। আজিৰেপৰা অনুষ্ঠিত এই মহোৎসৱ পৰহিলৈ অন্ত পৰিব। **যত আছে নদী, বনাঞ্চল, পৰ্বত**

**উপকূল আৰু মহাসাগৰ** -শীৰ্ষক বিষয়বস্তুৰে আয়োজন কৰা এই মহোৎসৱৰ জৰিয়তে অভিজ্ঞতা ভিত্তিক আৰু আন্তঃক্রিয়াশীল শিক্ষাৰ মাধ্যমৰে জলবায়ু পৰিবৰ্তন, বহনক্ষমতা আৰু পৰিবেশ বিজ্ঞান সম্পৰ্কে সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। মহাবিদ্যালয়খনৰ উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান বিভাগৰ সহযোগত অনুষ্ঠিত এই মহোৎসৱ মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে উদ্বোধন কৰে। জিলা আয়ুক্তগৰাকীয়ে জলবায়ু পৰিবৰ্তন বৰ্তমান সময়ত অতি দৰকাৰী বিষয় বুলি মন্তব্য কৰে। তেওঁ কয়, যে মানুহৰ অবিবেচক কাৰ্যই পৰিবেশ আৰু জলবায়ুৰ প্ৰতি দুৰ্যোগ কঢ়িয়াই আনিছে। প্ৰতিজন নাগৰিক এই বিষয়ত সচেতন হোৱাৰো প্ৰয়োজন আছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

এই মহোৎসৱৰ অংশ হিচাপে প্ৰদৰ্শনী আৰু আন্তঃক্রিয়াশীল অধিবেশনৰ আয়োজন কৰা হয়।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। এই জয়ৰ পাছত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৬ পইণ্টেৰে গুজৰাটৰ সৈতে যুটীয়াভাৱে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে।

০০০০০০০

তৃতীয় অসম ৰাজ্যিক ফুটছাল চেম্পিয়নশ্বিপত গুৱাহাটী চিটী ফুটবল ক্লাবে খিতাপ দখল কৰিছে। গুৱাহাটীত অনুষ্ঠিত ৰোমাঞ্চকৰ ফাইনেলত আজি চিটী ফুটবল ক্লাৱে আকাশ ফুটবল ক্লাৱক পেনাল্টি শ্বুটআউটত ২-০ গ'লত পৰাস্ত কৰে। গুৱাহাটী চিটী ফুটবল ক্লাবে তিনিবছৰত দ্বিতীয়বাৰৰ বাবে এই খিতাপ দখল কৰিবলৈ সমৰ্থ হৈছে। এই জয়ৰ সুবাদত দলটোৱে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ ক্লাব ফুটছাল চেম্পিয়নশ্বিপৰ বাবে যোগ্যতা অৰ্জন কৰিছে।

০০০০০০০

সমাপ্ত